# অসম আদিত্য

■ ১৮ ফাগুন, ১৯৪৭ শক ■ মঙ্গলবাৰ, ৩ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, March 3, 2026 ■ ডিব্ৰুগড় সংস্কৰণ


শ্ৰীমন্ত শংক
জন্মভূমিত
মহোৎসৱ

বটদ্ৰৱা থান প্ৰাংগণৰ প
বেবেজীয়া, ২ মাৰ্চ ঃ ৰং ৰং
যাওঁ/ৰংপুৰ অভিমুখে আমি
ৰং পাওঁ মোনাত ভৰাও/সেই

### কানৈ মহাবিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত জাপানৰ শিনশ্বু বিশ্ববিদ্যালয়ৰ অধ্যাপক কানাজাৱা

# মানৱীয় প্ৰমূল্যবোধেৰে জয় কৰিব পৰা যায় বিশ্বক




**ষ্টাফ ৰিপৰ্টাৰ, ২ মাৰ্চ ঃ** 'অসমলৈ মই দ্বিতীয়বাৰ আহিছোঁ। কিন্তু অসম মোৰ দ্বিতীয় গৃহ যেন অনুভৱ হৈছে। মই পৃথিৱীৰ বহু ঠাই ভ্ৰমণ কৰিছোঁ, কিন্তু ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ যি আত্মীয়তা লাভ কৰিলোঁ ই মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। জাপান আৰু অসমৰ মাজত ভৌগলিক দূৰত্ব থাকিলেও হৃদয়ৰ টান একেই।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ ভূগোল বিভাগ, আন্তঃৰাষ্ট্ৰীয় আৰু উদ্যোগীক সম্পৰ্ক কোষৰ যৌথ উদ্যোগত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত মূল বক্তা হিচাপে উপস্থিত থাকি জাপানৰ শিনশ্বু বিশ্ববিদ্যালয়ৰ অধ্যাপক কেণ্টাৰ' কানাজাৱাই আজি এইদৰে কৈ আৱেগিক হৈ পৰে। 'এছিয়াৰ সুগন্ধ ঃ ক্ৰান্তীয় বনাঞ্চল আৰু সংস্কৃতি' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি অধ্যাপক কানাজাৱাই সাঁচি গছ, ইয়াৰ বিশ্ব বাণিজ্যত ভূমিকা সম্পৰ্কে তথ্যসহকাৰে অৱগত কৰে। ভূগোল বিভাগৰ অধ্যাপিকা ড০ জুৰি বৰুৱাই আঁত ধৰা বক্তৃতানুষ্ঠানখনিত তেওঁ কয়— দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহৰ অৰণ্যত প্ৰাকৃতিকভাৱে উপলব্ধ এই সাঁচি গছৰ বিশ্ব বাণিজ্যত চাহিদা থকাৰ লগতে অঞ্চলভেদে যোৱা দশকজুৰি বাগান ভিত্তিক সাঁচি গছ উৎপাদনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। ভাৰতবৰ্ষৰ কেৰালা আৰু তামিলনাডুত সাঁচি গছ উপলব্ধ হোৱাৰ উপৰিও অসমৰ বিশেষকৈ শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাতো ইয়াৰ উৎপাদন কিছু পৰিমাণে দেখা যায় বুলি তেওঁ অৱগত কৰে। ভূগোল বিভাগৰ অধ্যাপিকা ড০ ফাৰুনাজ ৰেজলীন চাইবা আহমেদে যুগুত কৰা এখনি গ্ৰন্থৰ আলমত অধ্যাপক কানাজাৱাই দেৰগাঁৱৰ নাহৰণি অঞ্চলত উপলব্ধ সাঁচি গছৰ বিষয়ে অধ্যয়ন তথা তথ্য আহৰণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি অসমলৈ অহা বুলি উল্লেখ কৰি কয়— মই জাপানৰ বাসিন্দা, কিন্তু অসমৰ মানুহৰ মৰম আৰু অসমৰ প্ৰকৃতিয়ে অসমখনক মোৰ নিজৰ ঘৰৰ দৰেই অনুভৱ কৰাইছে। অসমীয়া সমাজৰ মৰম, ভালপোৱা, পৰম্পৰাই তেওঁক অভিভূত কৰি তুলিছে বুলি উল্লেখ কৰি অধ্যাপকগৰাকীয়ে কয় যান্ত্ৰিক শিক্ষাই নহয়, মানৱীয় প্ৰমূল্যবোধেৰেহে বিশ্বক জয় কৰিব পৰা যায়। ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মিতালী চলিহাই উদ্দেশ্য ব্যাখ্যা কৰা বক্তৃতানুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি কয়— এছিয়া হৈছে গভীৰ বৈচিত্ৰ্যৰ এক মহাদেশ, যাক প্ৰকৃতি আৰু সংস্কৃতিৰ মিলনভূমি বুলি জনা যায়। এছিয়াৰ ক্ৰান্তীয় অৰণ্যবোৰ কেৱল জৈৱিক হটস্পট নহয়; সেইবোৰ আমাৰ পৰম্পৰা, প্ৰাচীন জ্ঞানৰ উৎস আৰু পৰিচয়। অধ্যক্ষগৰাকীয়ে কয়— পৰিৱেশ আৰু সাংস্কৃতিক বিকাশৰ মাজত থকা গভীৰ সম্পৰ্কতো বুজা অতি গুৰুত্বপূৰ্ণ, বিশেষকৈ এনে এটা সময়ত যেতিয়া বিশ্বব্যাপী জলবায়ুৰ পৰিৱৰ্তনে এই দুয়োটা ক্ষেত্ৰকেই বিপদৰ মুখত পেলাইছে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, অধ্যাপক ড০ জ্যোতি শইকীয়াৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড০ কৃষ্ণাক্ষী শইকীয়াই।